**অসম বিধান সভাৰ অধিবেশন – ২০২৬**
**লিখিত প্ৰশ্ন নং: ৫০৮**
**উত্তৰ দিয়াৰ তাৰিখ: ২৪/০৭/২০২৬**

বিষয়: অসমৰ মাটিকালি, শ্ৰেণীভেদে মাটিকালি, বেদখল আদি সন্দৰ্ভত ।

শ্ৰীওৱাজেদ আলী চৌধুৰী :

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ সৰ্বমুঠ মাটিকালি কিমান? ইয়াৰে কিমান ভূমি ফৰেষ্ট লেণ্ড, PGR, VGR, জলাশয় বিতং জনাব। ( মাটিকালি বৰ্গ কি. মি., হেক্টৰ, বিঘা আদিত উল্লেখ কৰিব)।

(খ) অসমৰ কিমান ভূমি চুবুৰীয়া ৰাজ্য যেনে- মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশ আদিয়ে বেদখল কৰিছে? (বেদখল কৰা মাটিকালি ৰাজ্যভিত্তিত হেক্টৰ আৰু বিঘা এককত উল্লেখ কৰিব)।

(গ) অসমৰ সাধাৰণ ৰাইজে বৰ্তমান কিমান ফৰেষ্ট লেণ্ড, PGR, VGR, জলাশয় ভূমি বেদখল কৰি আছে? (বেদখল কৰা মাটিকালি ভূমিৰ প্ৰকাৰ ভিত্তিত হেক্টৰ আৰু বিঘা এককত উল্লেখ কৰিব)।

(ঘ) নদী-গৰাখহনীয়াত সৰ্বমুঠ কিমান মাটিকালি নদীৰ বুকুত জাহ গৈছে আৰু বৰ্তমান বছৰি কিমান ভূমি নদীত জাহ গৈ আছে?

(ঙ) বৰ্তমানলৈকে স্বাধীনোত্তোৰ অসমত কিমানখন গাঁও সম্পূৰ্ণৰূপে আৰু কিমানখন গাঁও আংশিকভাৱে নদীৰ বুকুত জাহ গৈছে? তথ্য দিব।

(চ) গৰাখহনীয়াত স্থানান্তৰিত হোৱা পৰিয়াল সকলৰ সংস্থাপনৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে? বিতং জনাব।

<u>**উত্তৰ**</u>

**মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত দেৱে উত্তৰ দিছে :**

(ক) অসমৰ ২৭ খন জিলাৰ জিলা আয়ুক্তসকলৰ পৰা পোৱা তথ্য অনুসৰি- ২৭ খন জিলাৰ মুঠ মাটিকালি ৩,৩৫,১৬,৯২৭বিঘা - ১কঠা – ৮ লেচা। ইয়াৰে পি.জি.আৰ.( PGR) ভূমিৰ পৰিমান ৩,৩৩,৬৮১বি – ০ক – ৮লে, ভি.জি.আৰ (VGR) ভূমিৰ পৰিমান ৫,৯০,১২৪বি – ১ক – ১৪লে আৰু জলাশয় ভূমিৰ পৰিমান ৮, ৮৩,৯১১বি – ০ক – ২লে ।

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি- অসমত সৰ্বমুঠ ১৮,০১,৯৫৩.৫৩৬ হেক্টৰ বনভূমি আছে ।

(খ) সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি - অসমৰ ভূমিৰ ১৬১৪৪.০১১৭ হেক্টৰ (১২০৬৭৫বি – ১ক – ১৭লে) অৰুণাচল প্ৰদেশ ৰাজ্যই, ৩৪৪১.৮৬০১ হেক্টৰ (২৫৭২৭বি – ৩ক – ৭লে) মেঘালয় ৰাজ্যই, ৩৬৭৫.৭৮ হেক্টৰ (২৭৪৭৬বি – ১ক – ০লে) মিজোৰাম ৰাজ্যই আৰু ৫৯৪৯০.২১ হেক্টৰ (৪৪৪৬৮৫বি – ১ক – ০লে) নাগালেণ্ড ৰাজ্যই বেদখল কৰি আছে ।

(গ) পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি -অসমত বৰ্তমান ৩,১২,৯৮২.১৭৫ হেক্টৰ বনভূমি বেদখল হৈ আছে।

অসমৰ ২৭ খন জিলাৰ জিলা আয়ুক্তসকলৰ পৰা পোৱা তথ্য অনুসৰি - ২৭ খন জিলাৰ মুঠ বেদখল হৈ থকা পি.জি.আৰ.(PGR) ভূমিৰ পৰিমান হৈছে ১,৩৮,৬৭৮বি – ১ক – ১৯লে, ভি.জি.আৰ (VGR) ভূমিৰ পৰিমান হৈছে ২,৯৮,৭০৮বি – ২ক – ১০লে আৰু জলাশয় ভূমিৰ পৰিমান হৈছে ৭১,৬৬০বি – ০ক – ১৫লে।

(ঘ) অসমৰ ২৭ খন জিলাৰ জিলা আয়ুক্তসকলৰ পৰা পোৱা তথ্য অনুসৰি - ২৭ খন জিলাত বৰ্তমানলৈকে গৰাখহনীয়াত নদীৰ বুকুত জাহ যোৱা ভূমিৰ পৰিমান হৈছে ৮,২৫,০১৭বি - ২ক - ১০লে।

(ঙ) বৰ্তমানলৈকে অসমত আংশিকভাৱে নদীৰ বুকুত জাহ যোৱা গাওঁৰ সংখ্যা হৈছে ১০২৩ খন আৰু সম্পূৰ্ণৰূপে নদীৰ বুকুত জাহ যোৱা গাওঁৰ সংখ্যা হৈছে ৪৮০ খন।

(চ) 'অসম ভূমি নীতি, ২০১৯'-ৰ দফা ১.৭ অনুসৰি নদীৰ গৰাখহনীয়া বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ফলত নিজৰ সৰ্বস্ব হেৰুৱাই ভূমিহীন হৈ পৰা খিলঞ্জীয়া পৰিয়ালসমূহক চৰকাৰী খাস (Khas) ভূমি বা চিলিং উদ্‌বৃত্ত (Ceiling Surplus) ভূমিত পুনৰ সংস্থাপনৰ বাবে বিশেষ ব্যৱস্থা ৰখা হৈছে। উক্ত দফাৰ অধীনত অসমৰ বানাক্ৰান্ত, গড়াখহনীয়া, ভূমিকম্প অথবা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ফলত ভূমিহীন হৈ পৰা খিলঞ্জীয়া লোক সকলক চৰকাৰী মাটি পট্টনৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে।

উক্ত দফা ১.৭-ৰ বিধান অনুসৰি 'মিছন বসুধৰা' (Mission Basundhara) আঁচনিৰ জৰিয়তে গৰাখহনীয়াৰ ফলত স্থানান্তৰিত আৰু ভূমিহীন হোৱা যোগ্য পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰী নিয়ম-নীতি অনুসৰি ভূমি পট্টা প্ৰদানৰ ব্যৱস্থা আছে ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA), ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (SDRF) আৰু 'অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০১৫'-ৰ বিধান অনুসৰি গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত আৰু স্থানান্তৰিত হোৱা পৰিয়ালসমূহক প্ৰযোজ্য নিয়ম অনুসৰি এককালীন সাহায্য (Ex-gratia), পুনৰ সংস্থাপন অনুদান (Rehabilitation Grant—R.G.) আৰু অন্যান্য জৰুৰীকালীন সাহায্য প্ৰদান কৰা হয়।

*********